**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 30-01-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

ooooo

১। ডিব্ৰুগড়ত গৃহ মন্ত্ৰী অমিত শ্বাহৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্য্যসূচী। বিজেপি তৃতীয়বাৰৰ বাবে শাসনলৈ আহিলে অসমৰ পৰা সকলো অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱাৰ প্ৰতিশ্ৰুতি।

২। ধেমাজিৰ কাৰেং চাপৰিত মিছিং যুৱ মহোৎসৱৰ সামৰণি। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ১০০ কোটি টকাৰ অনুদান ঘোষণা।

৩। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত তিনিজনৰ জামিন আবেদন নাকচ।

৪। ৰাজ্যৰ এহেজাৰ ৪৪ টা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ প্ৰস্তুতি।

***আৰু***

৫। উত্তৰ পূৰ্বাঞ্চলৰ অইল ক্ষেত্ৰসমূহত অধিক গেছ উৎপাদনৰ লক্ষ্যৰে অইল ইণ্ডিয়া লিমিটেড আৰু গেছ অথৰিটী অৱ ইণ্ডিয়া লিমিটেডৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

ooooo

জন-গাঁথনিৰ দ্ৰুত পৰিৱৰ্তনত বাধা দিব নোৱাৰিলে অসম এদিন ভয়ংকৰ বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব। অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰতিজন অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱা হ'ব। ডিব্ৰুগড়ত আজি এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই মন্তব্য কৰিছে। গৃহ মন্ত্ৰীগৰাকীয়ে অসমত হোৱা জন-গাঁথনি পৰিৱৰ্তনত সকলোকে বাধা আৰোপ কৰিবলৈ আহ্বান জনাই কয়, যে ৰাজ্যৰ বিজেপি চৰকাৰে ইতিমধ্যে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক অনুপ্ৰেৱশকাৰীৰ দখলৰ পৰা মুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে সমৰ্থ হৈছে বুলি তেওঁ কয়। ৰাজ্যখনক উন্নয়নৰ দিশে আগুৱাই নিয়াৰ বাবে তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

-বাইট(অমিত শ্বাহ)-

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাত আজি এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। এই চৌহদৰ ভিতৰত এটা তিনি মহলীয়া বিধানসভা ভৱন, ৯-মহলীয়া বিধায়কৰ আবাসগৃহ, ৮০০খন আসনযুক্ত প্ৰেক্ষাগৃহ আৰু নিৰাপত্তা বাহিনীৰ বাবে বেৰেক থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰে। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব। এই প্ৰকল্পৰ ভূমি পূজন কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমক বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি অনুসৰি, কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্প আৰম্ভ কৰা বুলি তেওঁ কয়। ৰাজ্যত ৰূপায়ণ হ'বলগীয়া এই প্ৰকল্পই বানৰ সমস্যা নোহোৱা কৰাৰ লগতে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি কয়। এই প্ৰকল্পৰ অধীনত হ'বলগীয়া জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ কৃষকে বছৰত তিনিবাৰ খেতি কৰি লাভান্বিত হ'ব পাৰিব বুলি উল্লেখ কৰি তেওঁ অসমৰ পৰ্য্যটন খণ্ডকো চৰকাৰৰ এই পদক্ষেপে সহায় কৰিব বুলি কয়।

-বাইট-

ডিব্ৰুগড়ৰ কাৰ্য্যসূচীৰ সামৰণি মাৰি শ্ৰীশ্বাহে ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ কাৰ্য্যসূচী সামৰি গুৱাহাটীত উপস্থিত হৈছে। খন্তেক সময়ৰ পাছতে তেওঁ গুৱাহাটীত থকা ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

০০০০০

ধেমাজি জিলাৰ বগীবিলৰ কাৰেং চাপৰিত ৫ দিনীয়াকৈ অনুষ্ঠিত দশম মিচিং যুৱ মহোৎসৱৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ

কৰে। ভাষণ প্ৰসংগত গৃহ মন্ত্ৰীগৰাকীয়ে মিচিং সমাজক প্ৰণাম জনাই কয় যে এই মহোৎসৱত উপস্থিত থাকি তেওঁ অভিভূত হৈছে। তেওঁ কয়, যে মিচিং সমাজৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মিছিং যুৱ মহোৎসৱৰ প্ৰশংসা কৰি তেওঁ মিছিং সমাজক ব্ৰহ্মপুত্ৰৰ ৰক্ষক বুলি কয়। কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনীসমূহত মিছিং যুৱক-যুৱতীৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ কথাও শ্ৰীশ্বাহে ঘোষণা কৰে। অনুষ্ঠানটোত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মিছিং যুৱ মহোৎসৱলৈ ১০০ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। আনহাতে, মিছিংসকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক উন্নয়নৰ বাবে তেওঁ ১০ কোটি টকাৰ অনুদান ঘোষণা কৰে। উল্লেখযোগ্য যে, মিচিং সমাজৰ ঐক্য, সংস্কৃতি আৰু আত্মচেতনাৰ উমৈহতীয়া মঞ্চ মিচিং যুৱ মহোৎসৱত জনগোষ্ঠীটোৰ পৰম্পৰা, কলাকৃষ্টি, সংস্কৃতি, আৰু থলুৱা খাদ্য সম্ভাৰৰ প্ৰদৰ্শন কৰা হয়। মিচিং জনগোষ্ঠীৰ এই যুৱ মহোৎসৱত অৰুণাচল প্ৰদেশৰ আদি, গালো, আপাতানি, নিচি আৰু টাগিন সম্প্ৰদায়ৰ লোকসকলেও অংশগ্ৰহণ কৰি সম্প্ৰীতি তথা ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰে। আজিৰ মুকলি সভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম চৰকাৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভূৱন পেগু, নৱ দলে, ভূৱন গাম, মানৱ ডেকায়ো অংশগ্ৰহণ কৰে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনত বিটিচিৰ ১৫ টা সমষ্টিত বি পি এফে অকলে নিৰ্বাচন খেলিবলৈ সাজু হৈছে। বিটিচিৰ বাহিৰৰ ৫ৰ পৰা ৬ টা সমষ্টিতো বি পি এফে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ সম্ভাৱনা আছে। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী আসন বুজাবুজিৰ ক্ষেত্ৰত সিদ্ধান্ত লবৰ বাবে দলৰ ফালৰ পৰা সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। আজি অনুষ্ঠিত বি পি এফৰ এখন উচ্চ পৰ্যায়ৰ দলীয় বৈঠকত অংশগ্ৰহণ কৰি বিপিএফৰ নেতা দুৰ্গাদাস বড়োৱে এই কথা প্ৰকাশ কৰে।

বাইট ঃ দুৰ্গাদাস বড়ো

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিজন অভিযুক্ত অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন আজি কামৰূপ মহানগৰ জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে নাকচ কৰে। যোৱা ২২ জানুৱাৰীত এই তিনিওজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত শুনানী অনুষ্ঠিত হৈছিল। শুনানীৰ সময়ত জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰিছিল। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ বাবে আজিৰ দিনটো ধাৰ্য কৰে। অহা ১৬ ফেব্ৰুৱাৰীলৈ আদালতে শুনানী স্থগিত ৰাখে।

আদালতে অভিযুক্তকেইজনৰ জামিন নাকচ কৰাৰ পাছত জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে সাংবাদিকৰ আগত এইদৰে কয় -

-বাইট(গৰিমা)-

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অন্তৰ্গত চলিত বৰ্ষৰ  হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ লিখিত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত লিখিত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে। বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ সৈতে আজি সদৌ অসম ছাত্ৰ সন্থাই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে এইদৰে কয়।

বাইট

আলোচনাকালত ছাত্ৰ সন্থাৰ নেতৃবৰ্গই বিগত বৰ্ষৰ পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱাৰ দৰে ঘটনা এইবাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিদ্যালয় শিক্ষা পৰিষদৰ প্ৰতি আহ্বান জনায়। চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হ'ব। এই পৰীক্ষা ৰাজ্যৰ এহেজাৰ ৪৪ টা কেন্দ্ৰত অনুষ্ঠিত হ'ব। ইফালে ৮২১ টা কেন্দ্ৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষাত ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া, বাংলা আৰু বড়ো ভাষাৰ প্ৰশ্নকাকত সুকীয়াকৈ প্ৰস্তুত কৰা হৈছে। ইয়াৰ পূৰ্বে একেখন প্ৰশ্নকাকততে আটাইকেইটা ভাষা অন্তৰ্ভুক্ত কৰা হৈছিল।

০০০০০

গুৱাহাটী মহানগৰৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তই জি এন বি ৰোড উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্য চলি থকাৰ পৰিপ্ৰেক্ষিতত যান-বাহন চলাচলত কিছু নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি জি এন বি ৰোড উৰণ সেঁতু আৰু চানমাৰি উৰণ সেঁতুৰ সংযোগস্থল উন্নয়ন আৰু জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত আজিৰে পৰা নিৰ্মাণ কাৰ্য সমাপ্ত নোহোৱালৈকে চানমাৰি উৰণ সেঁতুৰে সললো প্ৰকাৰৰ যান বাহনৰ চলাচলত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত যাত্ৰীসকলক এই পথ এৰাই চলি বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। জু-ৰোডৰ দিশৰ পৰা অহা যান-বাহনসমূহে অপূৰ্ব সিনহা পথ বা ৰাজগড় ৰোডেৰে আহ-যাহ কৰিব পাৰিব। ৰাজগড় ৰোডৰ পৰা দক্ষিণ শৰণীয়া পথ, জি এছ ৰোড. ড০ বি বৰুৱা ৰোড, জি এন বি ৰোড ব্যৱহাৰ কৰিব পাৰিব। চানমাৰিৰ দিশৰ পৰা অহা যানবাহনসমূহ এম আৰ ডি ৰোডেৰে বামুণীমৈদাম অভিমুখে যাব পাৰিব।

০০০০০

কামৰূপ জিলা স্বাস্থ্য বিভাগ আৰু জিলা স্বাস্থ্য কুষ্ঠ ৰোগ বিভাগৰ উদ্যোগত আজি কামৰূপ জিলাৰ আমিনগাঁৱত ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিবাৰণী দিৱস পালন কৰা হয়। আমিনগাঁৱৰ বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে আয়োজিত সজাগতা সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অজিত দাস উপস্থিত থাকি কুষ্ঠৰোগৰ সন্দৰ্ভত জনসাধাৰণক সবিশেষ অৱগত কৰে।

বৰপেটা জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি জিলাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক  বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ভূপেন কুমাৰ বৰাই জনসাধাৰণক

কুষ্ঠৰোগৰ লক্ষণ আৰু ইয়াৰ চিকিৎসা সন্দৰ্ভত সবিশেষ অৱগত কৰে। আজিৰে পৰা ১৫ দিনীয়াকৈ জিলাখনত কুষ্ঠ ৰোগ প্ৰতিৰোধ অভিযান অব্যাহত থাকিব।

০০০০০

কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

অইল ইণ্ডিয়া লিমিটেড আৰু গেছ্ অথৰিটি অৱ ইণ্ডিয়া লিমিটেডে ভাৰত শক্তি সপ্তাহ ২০২৬ ৰ সৈতে সংগতি ৰাখি আজি এখন বজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ দ্বাৰা সমগ্ৰ প্ৰাকৃতিক গেছৰ মূল্য শৃংখলিত হোৱাত সহায় হ'ব। অইলৰ কাৰ্যবাহী সঞ্চালক ৰঞ্জন গোস্বামী আৰু গেইলৰ কাৰ্যবাহী সঞ্চালক সুমিত কিশোৰে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে দুয়োটা প্ৰতিষ্ঠানৰ ব্যৱসায়িক লাভালাভ আৰু উত্তৰ-পূৱ ভাৰতৰ অইল ক্ষেত্ৰসমূহৰ পৰা অধিক গেছ্ উৎপাদন কৰিবলৈ গুৰুত্ব প্ৰদান কৰা হয়।

০০০০০

মৰিগাওঁ জিলাৰ জাগীৰোড মহাবিদ্যালয়ত আজি ভূমিকম্পৰ সময়ত লবলগীয়া সাৱধানতা সন্দৰ্ভত এটা অনুশীলন কাৰ্যসূচী অনুষ্ঠিত হয়। পাটগাওঁস্থিত এন ডি আৰ এফৰ প্ৰথম বেটেলিয়নৰ উদ্যোগত আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আয়োজিত অনুশীলনত এন ডি আৰ এফৰ এটা ২৫ জনীয়া দলে অংশগ্ৰহণ কৰে। ভূমিকম্পৰ সময়ত শ্ৰেণীকোঠাত আবদ্ধ হৈ পৰা ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে সুৰক্ষিতভাৱে স্থানান্তৰ কৰিব পৰা যায় তথা দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি লব লগা প্ৰস্তুতি তথা সংশ্লিষ্ট চৰকাৰী বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক সবিশেষ অৱগত কৰা হয়। এই অনুশীলনত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। এই অনুশীলনত অগ্নি নিৰ্বাপক বাহিনীৰ অংশগ্ৰহণ কৰি জুই নুমুৱাৰ কৌশল সন্দৰ্ভত সকলোকে অৱগত কৰে।

০০০০০

সমাপ্ত